**REGIONAL NEWS UNIT**
AKASHVANI
GUWAHATI
0000000000

**Date : 24-07-2026**
**Time : 21-25 Hrs**

## ASSAMESE NIGHT BULLETIN

অসমৰ বান পৰিস্থিতি আজিও জটিল হৈ আছে। বানৰ কবলত পৰা জিলাকেইখনৰ কোনো কোনো অঞ্চলত পানী কমিবলৈ লৈছে যদিও ২৫ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানত বুৰ গৈ আছে।

সাম্প্ৰতিক বানত ৰাজ্যখনৰ দুহেজাৰ ২৩ খন গাঁৱৰ ১০ লাখ ৬৩ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। ইপিনে চলিত বৰ্ষৰ বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ৪৭ লৈ বৃদ্ধি পাইছে। বানত এতিয়ালৈকে ৮ জন লোক সন্ধানহীন হৈ আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰ অনুসৰি সাম্প্ৰতিক বানত ২৫ হাজাৰ ৩৭৫ হেক্টৰৰো অধিক কৃষিভূমি প্লাৱিত হৈছে। প্ৰশাসনে ক্ষতিগ্ৰস্ত জিলাসমূহত ১৬২টা আশ্ৰয় শিবিৰ আৰু এহেজাৰ ৭২টা সাহায্য বিতৰণ কেন্দ্ৰ মুকলি কৰিছে। আশ্ৰয় শিবিৰসমূহত ৪১ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। বানৰ ফলত উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত সৰ্বাধিক ক্ষতি হৈছে।

০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বান ক্ষতিগ্ৰস্ত জিলাসমূহৰ বিধায়ক, জিলা আয়ুক্ত আৰু শীৰ্ষ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হৈ উদ্ধাৰ আৰু সাহায্য অভিযানৰ অগ্ৰগতিৰ বুজ লয়। ডঃ শৰ্মাই চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ সংযোগ বিচ্ছিন্ন হোৱা অঞ্চল বিশেষকৈ নাজিৰা মহকুমাত পানীৰ মাজত আৱদ্ধ হৈ পৰা লোকসকলৰ উদ্ধাৰ অভিযান তীব্ৰতৰ কৰি তুলিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। তেওঁ প্ৰয়োজন অনুসৰি বায়ুসেনাৰ হেলিকপ্টাৰৰ সহায়ত খাদ্য সামগ্ৰীকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান, ভ্ৰাম্যমান চিকিৎসা দল নিয়োগ আদি সুনিশ্চিত কৰিবলৈ পৰামৰ্শ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে বান ক্ষতিগ্ৰস্ত অঞ্চলৰ বোকাময় পথবোৰ মুকলি কৰি যোগাযোগ ব্যৱস্থা গঢ়ি তুলিবলৈ আহ্বান জনায়।

ইপিনে পানী লাহে লাহে হ্ৰাস পাবলৈ ধৰাৰ ফলত বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহত যাতে কোনো মহামাৰী নহয় তাৰ বাবে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ তৰফৰ পৰা ভ্ৰাম্যমান চিকিৎসা সেৱাৰ ব্যৱস্থাৰ উপৰি ডিব্ৰুগড় আৰু যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসকৰ দল মোতায়েন কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

**বাইট (চি এম)**

০০০

অসম বিধানসভাৰ চলিত বাজেট অধিবেশনৰ আজি একাদশ দিনা কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা অনুষ্ঠিত হয়। বানৰ পৰিপ্ৰেক্ষিতত যোৰহাট, শিৱসাগৰ আৰু চৰাইদেউ জিলালৈ অতিৰিক্ত পুঁজি

আৱণ্টন কৰা হৈছে। কংগ্ৰেছ বিধায়ক জাকিৰ হুছেইন ছিকদাৰৰ এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত সদনত আজি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই এইদৰে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে আজি বিধানসভাত কয় যে যোৰহাট জিলাৰ বাবে অতিৰিক্তভাৱে ১ কোটি আৰু শিৱসাগৰ তথা চৰাইদেউ জিলাৰ বাবে ৪ কোটি টকাকৈ আৱণ্টন কৰা হৈছে। জিলা কেইখনলৈ অতিৰিক্ত খাদ্য সামগ্ৰীও আৱণ্টিত কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। বিজেপিৰ বিধয়ক ভূপেন বৰাই আন এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত মন্ত্ৰী কেশৱ মহন্তই কয়, যে হাতীৰ আক্ৰমণত নিহত লোকৰ নিকটআত্মীয়ই এতিয়াৰে পৰা ক্ষতিপূৰণ হিচাপে ৬ লাখ টকাকৈ লাভ কৰিব। পূৰ্বতে এই পৰিমাণ আছিল ৪ লাখ টকা।

ৰাজ্যৰ ভূমিহীন লোকক শীঘ্ৰেই বিভিন্ন জিলাৰ চৰ-চাপৰিত ৰাজ্য চৰকাৰে ভূমি পট্টা প্ৰদান কৰিব। ইয়াৰ বাবে ২০১৯ ৰ অসম ভূমি নীতিও ৰাজ্য চৰকাৰে সংশোধন কৰিব। অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনা নিয়মাৱলীৰ ১১৫ নম্বৰ নিয়মৰ অধীনত বিৰোধী দলপতি ৰাজেদ আলী চৌধুৰী, কংগ্ৰেছ বিধায়ক নুৰুল হুদা আৰু আব্দুৰ ৰহিম আহমেদে উত্থাপন কৰা এটা সংকল্প প্ৰস্তাৱত মন্ত্ৰী কেশৱ মহন্তই এইকথা সদৰি কৰে। অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনা নিয়মাৱলীৰ ১১৫ নম্বৰ আৰু ১১৩ নম্বৰ নিয়মৰ অধীনতো সদনত আজি বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা চলে। ইয়াৰ মাজতে ২০২৬ চনৰ মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয় সংশোধনী বিধেয়কখন শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সদনত আজি উত্থাপন কৰে। পাছত অসম বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে অহা ২৭ জুলাই পুৱা চাৰে ন পৰ্যন্ত সদন স্থগিত ঘোষণা কৰে।

০০০

শিৱসাগৰ আৰু চৰাইদেউ জিলাত সংঘটিত প্ৰলয়ংকাৰীৰ বানত আক্ৰান্তসকলৰ সা-সম্পত্তিৰ লগতে বহু ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতীৰ পৰিচয় পত্ৰ, শিক্ষাগত অৰ্হতাৰ নথি পত্ৰ আৰু অন্যান্য গুৰুত্বপূৰ্ণ নথিপত্ৰও ক্ষতিগ্ৰস্ত হৈছে। ৰাজ্যৰ উদ্যোগ, বাণিজ্য, ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই এই সন্দৰ্ভত আজি শিৱসাগৰত ভাৰতীয় জনতা যুৱ মৰ্চাৰ ৰাজ্যিক সভাপতি তথা সমিতিৰ বিষয়ববীয়াসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত বানত ক্ষতিগ্ৰস্ত হোৱা প্ৰয়োজনীয় নথিপত্ৰসমূহ সংশ্লিষ্ট বিভাগসমূহৰ সহযোগত পুনৰ উদ্ধাৰ কৰাৰ বাবে দ্ৰুত আৰু ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মন্ত্ৰী শ্ৰীবৰাই পৰামৰ্শ আগবঢ়ায়।

০০০

সমাপ্ত